# অধ্যায় ৪ ঃ গৱেষণা পত্ৰ লেখনৰ সাধাৰণ আভাস

## অধ্যায় গাঁথনি


4.1 উদ্দেশ্য

4.2 পৰিচয়

4.3 গৱেষণা পত্ৰ লেখন

4.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

4.5 অধিক জানিবলৈ

4.6 অগ্ৰগতিৰ খতিয়ান

4.7 আৰ্হি প্ৰশ্ন


## ৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গৱেষণাৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- গৱেষণা কৰ্মত কিবোৰ দিশত গুৰুত্ব প্ৰদান কৰিবলগীয়া হয় সেই বিষয়ে অনুধাৱন কৰিব
- গৱেষণা পত্ৰ লিখোতে কি কি দিশত গুৰুত্ব প্ৰদান কৰিব লাগে সেই বিষয়ে ধাৰণা লাভ কৰিব।

## ৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি সমীক্ষা আৰু প্ৰবন্ধ লেখনৰ প্ৰাথমিক ধাৰণা লাভ কৰিলোঁ। মূলতঃ সমীক্ষা আৰু প্ৰবন্ধ লিখোতে আমি কি কি দিশত গুৰুত্ব প্ৰদান কৰিব লাগে সেই বিষয়ে অধ্যায়টোত বহলাই অধ্যয়ন কৰা হ'ল। এতিয়া এইটো অধ্যায়ত আমি আন এটা গুৰুত্বপূৰ্ণ বিষয় 'গৱেষণা পত্ৰ লেখন'ৰ সামগ্ৰিক ধাৰণা এটি লাভ কৰিম।

সহজ অৰ্থত গৱেষণা মানে হ'ল কোনো কথাৰ বিজ্ঞানসন্মতভাৱে কৰা অনুসন্ধান। এই অধ্যায়টো পঢ়াৰ পাছত আপুনি গৱেষণা আৰু ইয়াৰ গুৰুত্ব সম্পৰ্কে এটা প্ৰাথমিক আভাস লাভ কৰাৰ লগতে এখন গৱেষণা পত্ৰ প্ৰস্তুত কৰোঁতে কেনেদৰে প্ৰস্তুতি চলাব লাগে সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিব বুলি আশা কৰা হৈছে।

## ৪.৩ গৱেষণা পত্ৰ লেখন

গৱেষণা পত্ৰ লেখনৰ বিষয়ে জানিবলৈ হ'লে আমি 'গৱেষণা' মানে কি, গৱেষণাৰ

নাই। এই প্ৰসংগত কাৰ্ল পীয়েৰছনৰ কৈ গৈছে — "সত্যৰ কাষ চপাৰ কোনো চমু পথ নাই... ...বিজ্ঞানসন্মত প্ৰণালীৰ বাহিৰে বিশ্বব্ৰহ্মাণ্ডৰ জ্ঞান আহৰণ কৰাৰ আন কোনো পথ নাই।" ইয়াৰ পৰাই বুজিব পাৰি যে গৱেষণা হ'ল এটা বিজ্ঞানসন্মত প্ৰণালী। এতিয়া প্ৰশ্ন হ'ল 'বিজ্ঞানসন্মত' মানে আমি কি বুজোঁ? ইংৰাজী 'ছায়েন্স' (Science) শব্দটো লেটিন 'ছায়েণ্টিয়া' (Scientia) শব্দৰ পৰা উদ্ভৱ হৈছে, যাৰ অৰ্থ হ'ল জ্ঞান। আগতেই উল্লেখ কৰা হৈছে যে গৱেষণাত জ্ঞান আহৰণৰ দিশটো জড়িত হৈ থাকে। সেয়েহে ক'ব পাৰি যে বিজ্ঞান আৰু গৱেষণাৰ মাজত বিশেষ পাৰ্থক্য নাই। বিজ্ঞানৰ জনপ্ৰিয় সংজ্ঞা হ'ল কোনো বিষয়ৰ প্ৰণালীবদ্ধ জ্ঞান আহৰণ; নাইবা বিজ্ঞানক আমি প্ৰকৃতিৰ কোনো বস্তু নাইবা ঘটনাৰ প্ৰণালীবদ্ধকৃত জ্ঞান বুলিও ক'ব পাৰোঁ। আমি দেখিলোঁ যে বিজ্ঞানৰ ক্ষেত্ৰত 'প্ৰণালীবদ্ধ' আৰু 'জ্ঞান' এই দিশ দুটা অতি গুৰুত্বপূৰ্ণ। জ্ঞান হ'ল বিজ্ঞানৰ লক্ষ্য, 'প্ৰণালীবদ্ধতা' হ'ল সেই লক্ষ্য উপনীত হ'বলৈ প্ৰয়োগ কৰা পদ্ধতি। এতেকে বিজ্ঞানসন্মত পদ্ধতি মানে হ'ল প্ৰণালীবদ্ধ পদ্ধতি। গৱেষণা সদায়েই প্ৰণালীবদ্ধ পদ্ধতিৰ ওপৰত আধাৰিত। এই প্ৰসংগত চি আৰ কোথাৰীয়ে উনুকিয়াই যোৱা কথা এষাৰ ক'ব পাৰি — "মানুহৰ অনুসন্ধিৎসা অথবা জ্ঞানলিপ্সাই হ'ল সকলো জ্ঞান তথা জ্ঞান আহৰণ প্ৰণালীৰ জনক। এনে প্ৰণালীবোৰ প্ৰয়োগ কৰি মানুহে নজনা বিষয় অথবা তথ্য উদ্‌ঘাটন কৰাৰ যি প্ৰয়াস কৰে তাকেই গৱেষণা বোলা হয়। গৱেষণা এটা শৈক্ষিক কাৰ্য-কলাপ। সেয়েহে কাৰিকৰী দিশতহে গৱেষণা বোলা বিষয়টো প্ৰয়োগ কৰা উচিত।"

প্ৰণালীবদ্ধ বোলাৰ অৰ্থ এয়ে যে গৱেষণাৰ কাম-কাজ আগবঢ়াই নিবলৈ আমি কিছুমান নিৰ্দিষ্ট কাৰ্য-কলাপৰ সমষ্টি আৰু পৰ্যায় মানি চলিব লাগে। গৱেষণা এটাৰ সবাতোকৈ সঠিক ফলাফলটো লাভ কৰিবলৈ গৱেষণা প্ৰক্ৰিয়াত সদায়েই অনুসৰণ কৰিবলগীয়া কিছুমান নিৰ্দিষ্ট কাৰ্যপন্থা থাকে। তেনে কাৰ্যপন্থা অনুসৰি গৱেষণা আগবঢ়াই নিবলৈ কিছুমান বিন্যাস অথবা প্ৰণালী নিয়াৰিকৈ সজোৱা হয়। গৱেষণা কোনো স্বতঃস্ফূৰ্ত কাৰ্য নহয়, ই হ'ল এটা পৰিকল্পিত কাৰ্য-প্ৰক্ৰিয়া। ই সীমাবদ্ধ উপায়ৰ দিশত মনোনিৱেশ কৰে। ই কোনো বিশেষ সুবিধাৰ ওপৰত আলোকপাত কৰে। সকলো গৱেষণাৰ অন্তিম পৰ্যায়টো হ'ল উত্তৰ উদ্‌ঘাটন। যেতিয়াই কোনো অপ্ৰমাণিত যুক্তিসংগত ধাৰণা নাইবা কোনো সাধাৰণ প্ৰশ্নৰ উত্তৰ পোৱা যায় তেতিয়া কোনো গৱেষণা সফল হোৱা বুজায়। কেতিয়াবা উত্তৰটো নেতিবাচক হ'ব পাৰে। কিন্তু তথাপিও ইয়াক উত্তৰ বুলিয়েই বিবেচনা কৰা হয়। গৱেষণাৰ কেন্দ্ৰবিন্দু হ'ল প্ৰশ্ন। যদি কোনো প্ৰশ্ন নাথাকে তেন্তে উত্তৰ বিচৰাটো অৰ্থহীন কথা। গৱেষণাই প্ৰাসংগিক, উপযোগী আৰু গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰ বিচাৰে। এক অৰ্থত ক'ব পাৰি প্ৰশ্ন অবিহনে কোনো গৱেষণাৰ কেন্দ্ৰবিন্দু, চালিকা শক্তি নাইবা উদ্দেশ্য নাথাকিব।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১** ঃ গৱেষণা বুলিলে কি বুজে?

.....

.....

হাডছন ম্যাক্সিম নামৰ পণ্ডিত গৰাকীয়ে উল্লেখ কৰি গৈছে যে,— "সকলো অগ্ৰগতিৰ মূল হ'ল অনুসন্ধান। অত্যধিক আত্মবিশ্বাসতকৈ সন্দেহ প্ৰায়েই শ্ৰেয়, কাৰণ ই আমাক অনুসন্ধান কৰিবলৈ অনুপ্ৰাণিত কৰে আৰু অনুসন্ধানে উদ্‌ঘাটনৰ পথ মুকলি কৰি দিয়ে।" এই উক্তিটোৱে আপোনাক গৱেষণাৰ বৈশিষ্ট্য আৰু গুৰুত্ব উপলব্ধি কৰাত সহায় কৰিব।

বাণিজ্য ব্যৱসায় আৰু চৰকাৰী কাম-কাজ সম্পাদন কৰাৰ প্ৰকৃতিয়ে বৰ্দ্ধিত হাৰত জটিল ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত কাৰ্য-সম্পাদন বিষয়ক সমস্যাবোৰ সমাধান কৰিবলৈ সকলোৱে গৱেষণাৰ শৰণাপন্ন হৈছে। অৰ্থনৈতিক নীতিৰ সহায়কৰূপে গৱেষণাই ৰাজহুৱা আৰু ব্যক্তিগত উভয় খণ্ডতে সৰ্বাধিক গুৰুত্ব লাভ কৰিছে। সিদ্ধান্ত গ্ৰহণ গৱেষণাৰ অংশ নহয় যদিও ই নিশ্চিতভাৱে নীতি-নিৰ্দ্ধাৰণকাৰীসকলক সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰে। অন্য এক দিশৰ পৰা চাবলৈ গ'লে দেখিম যে সমাজ বিজ্ঞানৰ গৱেষণাই জ্ঞান আহৰণৰ বিষয়ত অধিক গুৰুত্ব আৰোপ কৰে যাতে ই নিজকে সমৃদ্ধ কৰাৰ লগতে ৰাজহুৱা নীতিবোৰলৈও অৱিহণা যোগাব পাৰে। ঠিক সেইদৰে ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক গৱেষণাই জ্ঞানৰ স্বাৰ্থত কিছু কথা নতুনকৈ জনাৰ বৌদ্ধিক সন্তুষ্টি প্ৰদান কৰে আৰু একে সময়তে সেই জ্ঞান কিবা কৰাৰ বাবে অধিক ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিবলৈ ব্যৱহাৰিক উপযোগিতাৰ সৃষ্টি কৰে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ২** ঃ খালী ঠাই পূৰণ কৰক—

ক) গৱেষণা সকলো ..... ..... এটা গুৰুত্বপূৰ্ণ দিশ।

খ) টেলিভিছন, ইণ্টাৰনেট, মোবাইল ফোন আদি হ'ল গৱেষণা আৰু .....ৰ ফল।

গ) ..... গৱেষণাৰ অংশ নহয় যদিও ই নীতি নিৰ্দ্ধাৰণকাৰীসকলক সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰে।

- **গৱেষণাৰ শ্ৰেণীবিভাগ** ঃ এতিয়া প্ৰশ্ন হ'ব পাৰে যে গৱেষণা কেনে ধৰণে কৰিব পাৰি বা গৱেষণা কৰ্মকৌশলপদ্ধতিক কেনেদৰে শ্ৰেণীবিভাগ কৰিব পাৰি? বিভিন্নজনে এই বিষয়ে নিজস্ব মত দাঙি ধৰিছে। তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল —
  - ➢ *বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক গৱেষণা* ঃ সমীক্ষা আৰু বিভিন্ন প্ৰকাৰৰ তথ্য উদ্‌ঘাটনকাৰী অনুসন্ধান বৰ্ণনামূলক গৱেষণাৰ অন্তৰ্গত। এনে ধৰণৰ গৱেষণাৰ প্ৰধান উদ্দেশ্য হ'ল কোনো বিষয়ৰ বৰ্তমানৰ স্থিতি হুবহু ৰূপত বৰ্ণনা কৰা। সমাজ বিজ্ঞান গৱেষণাৰ ক্ষেত্ৰত বৰ্ণনামূলক গৱেষণা অধ্যয়নক 'এক্সপ'ষ্ট ফেক্টো' (expost facto) গৱেষণা বোলা হয়। এই প্ৰণালীটোৰ প্ৰধান বৈশিষ্ট্যটো হ'ল গৱেষকৰ চলকৰ

তথ্যভিত্তিক গৱেষণা। ইয়াৰ সামৰণিক নিৰীক্ষণ অথবা পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা প্ৰমাণ কৰি চাব পৰা যায়। ইয়াক পৰীক্ষামূলক গৱেষণা বুলিও ক'ব পাৰি। ই এক সঠিক গৱেষণা পদ্ধতি। ইয়াৰ দ্বাৰা কোনো নিৰ্দিষ্ট চলকে আন এটা চলকক কেনেদৰে প্ৰভাৱিত কৰে সেয়া প্ৰমাণ কৰি চাব পাৰি।

- *গৱেষণাৰ আন দুটামান প্ৰকাৰ ঃ* ইতিমধ্যে উল্লেখ কৰা গৱেষণা পদ্ধতিসমূহৰ উপৰি আৰু বহুতো পদ্ধতি আছে। সেইবোৰো ভাষা-সাহিত্য-সংস্কৃতি, গণসংযোগ নাইবা সমাজ বিজ্ঞানৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ গৱেষণা কৰাৰ বাবে প্ৰয়োজনীয় পদ্ধতি। ওপৰত উল্লেখ কৰা গৱেষণা পদ্ধতিবোৰ গৱেষণাৰ উদ্দেশ্য, গৱেষণা সমাধা কৰিবলৈ প্ৰয়োজন হোৱা সময়, গৱেষণা সম্পাদন কৰাৰ পৰিৱেশ নাইবা তেনে ধৰণৰ সদৃশ বিষয়ৰ ওপৰত আধাৰিত। সেইফালৰ পৰা চাবলৈ গ'লে গৱেষণাক হ্ৰস্বম্যাদী নাইবা দীৰ্ঘম্যাদী—এই দুটা ভাগত ভগাব পৰা যায়। স্থানৰ দিশৰ পৰা, অৰ্থাৎ যি পৰিৱেশত গৱেষণা এটা সম্পন্ন কৰা হয় সেই দিশৰ পৰা গৱেষণাক আমি আকৌ দুটা ভাগত ভগাব পাৰোঁ—ক্ষেত্ৰভিত্তিক গৱেষণা আৰু গৱেষণাগাৰত কৰা গৱেষণা অথবা কৃত্ৰিম পৰিৱেশত কৰা গৱেষণা। ঐতিহাসিক গৱেষণা হ'ল আন এটা গুৰুত্বপূৰ্ণ পদ্ধতি। ইয়াত তথ্য, অৱশেষ আদিৰ বাবে ঐতিহাসিক উৎসৰ সহায় লোৱা হয়। এনে উৎসবোৰৰ সহায়ত অতীতৰ ঘটনা অথবা প্ৰচলিত চিন্তা-ধাৰণা অধ্যয়ন কৰা হয়। কোনো এছোৱা প্ৰাচীন সময়ৰ ব্যক্তি নাইবা ব্যক্তি সমষ্টিৰ জীৱন দৰ্শন সম্পৰ্কেও এনে গৱেষণাৰ দ্বাৰা উমান ল'ব পৰা যায়। ঠিক সেইদৰে কোনো তত্ত্বগত ধাৰণাৰ ওপৰত ভিত্তিকৰিও গৱেষণা কৰ্মত অগ্ৰসৰ হোৱা যায়। গৱেষণাক পুনৰ সামৰণিকেন্দ্ৰিক আৰু সিদ্ধান্তকেন্দ্ৰিক এই দুটা ভাগত ভগাব পৰা যায়। প্ৰথমবিধ গৱেষণাৰ বাবে গৱেষকে যিকোনো সমস্যা মুক্তভাৱে গ্ৰহণ কৰে, গৱেষণা আগবঢ়াৰ লগে লগে তেওঁ আৰ্হি পুনৰ সজাই লয় অথবা অনুসন্ধান কৰে আৰু নিজৰ ইচ্ছা অনুসৰি ধাৰণাপ্ৰসূত সামৰণি একোটা যুগুত কৰে। আনহাতে সিদ্ধান্তকেন্দ্ৰিক গৱেষণাবোৰ সদায় কোনো সিদ্ধান্ত গ্ৰহণকাৰীৰ প্ৰয়োজনীয়তা অনুসৰি সম্পাদন কৰা হয়। ইয়াত গৱেষকে নিজ ইচ্ছা আৰু আগ্ৰহ অনুসৰি গৱেষণাৰ বিষয়বস্তু নিৰ্দ্ধাৰণ কৰিব নোৱাৰে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩** ঃ ঐতিহাসিক গৱেষণাৰ সংজ্ঞা আগবঢ়াওক।

.....

.....

**প্ৰশ্ন নং ৪** ঃ বৰ্ণনামূলক গৱেষণাত কোনবোৰ বিষয়ৰ অনুসন্ধান সামৰি লোৱা হয়?

.....

.....

চোৱা হয় আৰু এনে চালি-জাৰি চোৱা প্ৰমাণবোৰৰ ব্যাখ্যা দাঙি ধৰা হয়।

➢ *তুলনামূলক পদ্ধতি (Comparative Method) ঃ* এই পদ্ধতিটোক মূল্যায়ণকাৰী অথবা আনুবংশিক পদ্ধতি বোলে। ই হ'ল বিশুদ্ধ বিজ্ঞানৰ ক্ষেত্ৰত ব্যৱহৃত এটা জনপ্ৰিয় গৱেষণা পদ্ধতি। ইয়াক আজিকালি ভাষা-সাহিত্য-সংস্কৃতিৰ লগতে সমাজ বিজ্ঞানতো ব্যৱহাৰ কৰা হয়। এই গৱেষণা পদ্ধতিটো তুলনাৰ ওপৰত আধাৰিত।

এনে দৰে সংগ্ৰহ কৰা তথ্যসমূহ যোগসূত্ৰ স্থাপনকাৰী পৰিসাংখ্যিক কৌশলসমূহেৰে সংযোজিত কৰি ফলাফল লাভৰ বাবে যথার্থতা মূল্যায়নকাৰী পদ্ধতিসমূহ ব্যৱহাৰ কৰা হয়। গৱেষণাৰ শ্ৰেণীবিভাগত সেই মূল্যায়ণকাৰী পদ্ধতিসমূহ উল্লেখ কৰি অহা হৈছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫** ঃ তথ্য সংগ্ৰহৰ ঘটনা অনুসন্ধান পদ্ধতি বুলিলে কি বুজে ?

.....

.....

● **গৱেষণাৰ প্ৰক্ৰিয়া ঃ** গৱেষণা এটা ফলপ্ৰসূভাৱে সম্পাদন কৰিবলৈ গ্ৰহণ কৰা প্ৰয়োজনীয় কার্য অথবা পর্যায়বোৰৰ শৃংখলাটোক আৰু তেনে কর্ম পর্যায়বোৰ ইচ্ছানুসাৰে অনুক্ৰমিকভাৱে সজাই লোৱা কামটোকে গৱেষণা প্ৰক্ৰিয়া বোলে। এতিয়া আমি গৱেষণা প্ৰক্ৰিয়া এটাৰ বিভিন্ন পর্যায়বোৰৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

➢ *গৱেষণা সমস্যা স্থিৰকৰণ ঃ* গৱেষণাৰ আৰম্ভণিতে গৱেষকে অধ্যয়ন কৰিব খোজা সমস্যা এটা বাছি ল'ব লাগিব। তেওঁ অনুসন্ধান কৰিব খোজা বিষয়টো সাধাৰণ স্বার্থজড়িত ক্ষেত্ৰ অথবা দিশবোৰ নির্ধাৰণ কৰি ল'ব লাগিব। গৱেষণা সমস্যা সাধাৰণতে দুই প্ৰকাৰৰ। এবিধ প্ৰকৃতিৰ বিভিন্ন অৱস্থাৰ সৈতে আৰু আনবিধ বিভিন্ন চলকৰ মাজত থকা সম্পর্কৰ লগত জড়িত। গৱেষণা সমস্যাটো বাছনি কৰাৰ পাছত সাধাৰণ বিষয় এটাক বিশেষ গৱেষণা সমস্যাৰ ৰূপ দিব লাগে। এই সময়ছোৱাতে বিজ্ঞানসন্মত অনুসন্ধানৰ প্ৰথম পর্যায়টোৰ কাম আৰম্ভ হয়। গৱেষণা সমস্যা স্থিৰ কৰিবলৈ গৱেষক এগৰাকীয়ে দুটা কর্মপর্যায় অনুসৰণ কৰিব লাগে। প্ৰথমটো হ'ল সমস্যাটো পুংখানুপুংখভাৱে বুজি লোৱা আৰু দ্বিতীয়টো হ'ল সেই সমস্যাটোক বিশ্লেষণাত্মক দৃষ্টিভংগীৰে এটা অর্থৱহ ৰূপ প্ৰদান কৰা।

➢ *গ্ৰন্থ পুনৰীক্ষণ ঃ* সমস্যাটো স্থিৰ কৰি লোৱাৰ পাছত তাৰ সংক্ষিপ্ত সাৰাংশ লিখি পেলাব লাগে। এই দ্বিতীয়টো পর্যায়ত গৱেষকে সমস্যাটোৰ সৈতে জড়িত লিখিত তথ্যবোৰ বাহিৰ কৰাৰ বাবে বিস্তৃত গ্ৰন্থ সমীক্ষা কৰিব লাগে। এই পর্যায়ত এটা ভাল পুথিভঁৰালে গৱেষকগৰাকীক যথেষ্ট সহায় আগবঢ়াব পাৰে। মন কৰিব যে গৱেষণা গ্ৰন্থত গ্ৰন্থ

- *তথ্য সংগ্ৰহ ঃ* যিকোনো গৱেষণা প্ৰক্ৰিয়াৰ এটা গুৰুত্বপূৰ্ণ পৰ্যায় হ'ল তথ্য সংগ্ৰহ। তথ্য সংগ্ৰহৰ বিভিন্ন উপকৰণ ব্যৱহাৰ কৰি গৱেষকে প্ৰাথমিক আৰু গৌণ তথ্য সংগ্ৰহ কৰিব লাগে। গৱেষকে পোনে পোনে যি বোৰ তথ্য সংগ্ৰহ কৰে সেইবোৰ প্ৰাথমিক তথ্য বা মৌলিক তথ্য। ঠিক সেইদৰে পুথিগত তথ্য বা বেলেগে সংগ্ৰহ কৰা তথ্য গৱেষণা কৰ্মটোত ব্যৱহাৰ কৰিলে তাৰ গৌণ তথ্য বুলি কোৱা হয়। সঠিক তথ্য সংগ্ৰহ কৰাৰ বিভিন্ন উপায় আছে। এই উপায়সমূহৰ মাজত যথেষ্ট প্ৰভেদ আছে। এই বিষয়ে ইতিমধ্যে পূৰ্বৰ শাখাটোত উল্লেখ কৰি অহা হৈছে। অৱশ্যে এটা কথা উল্লেখ কৰি যাব লাগিব যে তথ্য সংগ্ৰহৰ পদ্ধতিবোৰ বেলেগ বেলেগ যদিও তথ্য সংগ্ৰহৰ মূল সঁজুলী বোৰ একেধৰণৰ। যথা — পৰ্যবেক্ষণ, সাক্ষাৎকাৰ, প্ৰশ্নাৱলী, সূচী ইত্যাদি।
- *তথ্য বিশ্লেষণ ঃ* তথ্য সংগ্ৰহ কৰাৰ পাছত গৱেষকে সংগৃহীত তথ্যবোৰ বিশ্লেষণ কৰে। তথ্য বিশ্লেষণ প্ৰক্ৰিয়াটোত শিতান স্থাপনৰ দৰে বিভিন্ন নিকট পাৰস্পৰিক সম্বন্ধ থকা কাৰ্যকলাপ বিচাৰ কৰি চাব লাগে। তথ্য বিশ্লেষণৰ বাবে সমীক্ষাত্মক, বিশ্লেষণাত্মক, তুলনমূলক আদি যি কোনো পদ্ধতি গ্ৰহণ কৰা হয়। মূলতঃ গৱেষণা কৰ্মটোৰ আধাৰতেই তথ্য বিশ্লেষণৰ পদ্ধতিটো নিৰ্ণয় কৰা হয়।
- *অপ্ৰমাণিত যুক্তিসংগত ধাৰণা পৰীক্ষণ ঃ* বিভিন্ন তথ্য বিশ্লেষণকাৰী কৌশলৰ সহায়ত তথ্য বিশ্লেষণ কৰাৰ পাছত গৱেষকসকলে অপ্ৰমাণিত যুক্তিসংগত ধাৰণা পৰীক্ষা কৰিব লাগে। অৱশ্যে যদিহে গৱেষকে তেনে কোনো ধাৰণা আগতে স্থিৰ কৰি থৈছে, তেতিয়াহে এনে পৰীক্ষাৰ প্ৰয়োজনীয়তা থাকে।
- *সাধাৰণীকৰণ আৰু ব্যাখ্যা ঃ* অপ্ৰমাণিত যুক্তিসংগত ধাৰণাবোৰ পৰীক্ষা কৰি চোৱাৰ পাছত গৱেষকে অনুসন্ধান কৰি পোৱা তথ্যবোৰ সাধাৰণীকৰণ কৰি সূত্ৰ স্থাপন কৰিব পাৰে।
- *প্ৰতিবেদন প্ৰস্তুতকৰণ ঃ* অৱশেষত গৱেষকে প্ৰতিবেদন, গৱেষণা পত্ৰ অথবা গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিব লাগে। এই পৰ্যায়টোত লেখনি, ফণ্ট, পৃষ্ঠসজ্জাৰ ব্যৱহাৰ আদি হ'ল কেইটামান গুৰুত্বপূৰ্ণ দিশ।

এই আলোচনাৰ পৰা আপুনি নিশ্চয় গৱেষণা মানে কি আৰু গৱেষণা কৰ্ম এটাৰ লগত কোনবোৰ কথা সম্পৰ্কীত হৈ থাকে বা গুৰুত্ব দিবলগীয়া হয় সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিলে। ইয়াৰ লগতে গৱেষণা কৰ্ম এটাৰ লিখনিটো কিছু কথা গুৰুত্ব দিবলগীয়া হয়—

- ভাষা-পোনপটীয়া হ'ব লাগে। পৰাপক্ষত বৰ বেছি কাব্যিক ভাষা ব্যৱহাৰ কৰিব নালাগে।
- কোনো ব্যক্তিৰ কথা উল্লেখ কৰোঁতে তেওঁক প্ৰদান কৰা উপাধী, বিশেষণ আদি প্ৰয়োগ কৰাৰ পৰা বিৰত থাকিব লাগে।
- কোনো ধৰণৰ কথা পুনৰুক্তি কৰিব নালাগে।
- নিজৰ বক্তব্য প্ৰকাশ কৰোতে কোনো তথ্যসূত্ৰ দিবলগীয়া থাকিলে সেয়া উল্লেখ কৰিব লাগে মানি চলা নিৰ্দিষ্ট নিয়ম অনুসৰি। মন কৰিবলগীয়া যে তথ্যসূত্ৰ উল্লেখ কৰাৰ বিভিন্ন



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৬ ঃ** গৱেষণাৰ আৰ্হি প্ৰস্তুতকৰণ মানে কি বুজে? (45 টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....



## ৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গৱেষণা শব্দটো ইংৰাজী 'ৰিছার্চ' (Research) শব্দৰ পাৰিভাষিক শব্দ ৰূপে ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ অর্থ হ'ল অন্বেষণ বা কোনো কথাৰ সম্পূর্ণ জ্ঞান আহৰণ কৰিবলৈ চলোৱা পুংখানুপুংখ অনুসন্ধান। এই ক্ষেত্ৰত মনত ৰাখিবলগীয়া কথাটো হ'ল এই অন্বেষণ হ'ল বিজ্ঞানসন্মত আৰু প্ৰণালীৱদ্ধ অনুসন্ধান।
- এই অধ্যায়টোত গৱেষণা কর্ম এটা সম্পাদন কৰিবলৈ আগবাঢ়োতে আমি কি কি দিশত মূলতঃ গুৰুত্ব প্ৰদান কৰিব লাগে সেই বিষয়ে আপোনাক সম্যক ধাৰণা প্ৰদান কৰিবলৈ যত্ন কৰা হ'ল। এইটো ষাণ্মাসিকৰে শেষৰখন পাঠ্যবিষয়ৰ দ্বিতীয়টো অংশৰ বাবে আপুনি এখন গৱেষণা পত্ৰ প্ৰস্তুত কৰিব লাগিব।



## ৪.৫ অধিক জানিবলৈ

**অসমীয়া গ্ৰন্থ**

1) শইকীয়া, নগেন [1991); *গৱেষণা-পদ্ধতি পৰিচয়;* ডিব্ৰুগড় ঃ বনলতা।

**ইংৰাজী গ্ৰন্থ**

2) Creswell, John. W. (2011). *Research Design.* New Delhi: Sage Publications.



## ৪.৭ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলৰ প্ৰশ্ন সমূহৰ অতি চমু উত্তৰ লিখক —

(ক) কোনো গৱেষণা কৰ্মত উল্লেখ কৰা 'বিজ্ঞানসন্মত পদ্ধতি' শব্দাংশৰে কি বুজা যায়?

(খ) 'বৰ্ণনামূলক গৱেষণা অধ্যয়ন' কাক বোলে?

(গ) স্থানৰ দিশৰ পৰা, অৰ্থাৎ যি পৰিৱেশত গৱেষণা এটা সম্পন্ন কৰা হয় সেই দিশৰ পৰা গৱেষণাক আমি কেইটা আৰু কি কি ভাগত ভগাব পাৰোঁ?

(ঘ) গৱেষণা কৰ্মত গ্ৰন্থপঞ্জী উল্লেখ কৰিব লাগেনে?

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক গৱেষণা মানে কি চমুকৈ লিখক?

**প্ৰশ্ন ২ ঃ** চমুটোকা লিখক —

ক) গৱেষণাৰ প্ৰমেয় খ) নমুনাৰ আৰ্হি নিৰ্দিষ্টকৰণ

গ) গৱেষণাৰ উদ্দেশ্য ঘ) পৰিমাণগত আৰু গুণগত গৱেষণা

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** গৱেষণা মানে কি? গৱেষণাৰ সংজ্ঞা নিৰ্ধাৰণ কৰি ইয়াৰ গুৰুত্ব নিৰূপণ কৰক।

**প্ৰশ্ন ২ ঃ** "গৱেষণা প্ৰক্ৰিয়াত এলানি ক্ৰিয়া বা পদক্ষেপ সন্নিৱিষ্ট হৈ থাকে যি এটা গৱেষণা ফলপ্ৰসূভাৱে আগবঢ়াই নিবলৈ প্ৰয়োজন।" — বহলাই আলোচনা কৰক?

**প্ৰশ্ন ৩ ঃ** তথ্য বা উপকৰণ সংগ্ৰহত ব্যৱহাৰ হোৱা কেইবিধমান গৱেষণা পদ্ধতিৰ বিষয়ে আলোচনা কৰক।

**প্ৰশ্ন ৪ ঃ** এটা উদাহৰণৰ সহায়ত কোনো গৱেষণা প্ৰক্ৰিয়াৰ অন্তৰ্গত বিভিন্ন পৰ্যায়সমূহ চমুকৈ ব্যাখ্যা কৰক।

*** ***** ***